জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৬/২০২১

# ডিগবৈৰ টিংৰাই বজাৰত দুষ্কৃতিকাৰীৰ দ্বাৰা সংঘটিত গ্ৰেনেড বিস্ফোৰণত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গভীৰ উদ্বেগ

## আৰক্ষী সঞ্চালক প্ৰধানক দুষ্কৃতিকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণৰ নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৪ মে’ ঃ** ডিগবৈৰ টিংৰাই বজাৰত আজি দুষ্কৃতিকাৰীৰ দ্বাৰা সংঘটিত গ্ৰেনেড বিস্ফোৰণত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক বিবৃতিৰ জৰিয়তে মুখ্যমন্ত্ৰীয়ে কয় যে এনেধৰণৰ দুষ্কাৰ্য সংঘটিত কৰি সাধাৰণ জনতাক ভীতিগ্ৰস্ত কৰা কাৰ্য কেৱল মাত্ৰ কাপুৰুষালিৰ বাদে আন একো নহয়। এনেধৰণৰ ঘটনাক ৰাজ্য চৰকাৰে কেতিয়াও সহ্য নকৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে উক্ত ঘটনাৰ অনুসন্ধানৰ বাবে ৰেঞ্জ ডিআইজিক তাৎক্ষণিকভাৱে ঘটনাস্থলীলৈ ৰাওনা হোৱাৰ বাবে নিৰ্দেশ দিবলৈ আৰক্ষী সঞ্চালক প্ৰধানগৰাকীক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। লগতে এই ঘটনাৰ সৈতে জড়িত দুষ্কৃতিকাৰীক কৰায়ত্ত কৰি কঠোৰ পদক্ষেপ গ্ৰহণৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে।

আনহাতে মুখ্যমন্ত্ৰীয়ে উক্ত ঘটনাত নিহত হোৱা ব্যক্তিৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে আঘাতপ্ৰাপ্ত ব্যক্তিসকলৰ আশু-আৰোগ্য কামনা কৰে।

**বঃভাঃ / পুঃডেঃ**
**১৪/০৫/২০২১**